# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-11-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::**

## Headlines

১। নতুন দিল্লীত বড়োলেণ্ড মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ। আজি বড়ো সাহিত্য সভাৰ ৭১ সংখ্যক প্ৰতিষ্ঠা দিৱস।

২। ৰাজ্যৰ বিভিন্ন ঠাইত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা উদযাপন। উজনিৰ পৰা নামনিলৈ মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত মানৱ ৰাসৰ ভক্তিৰস আৰু আধ্যাত্মিকতাত আপ্লুত ভক্তিপ্ৰাণ।

৩। ৰাজ্যৰ বিভিন্ন জিলাত বিস্তৃত কাৰ্যসূচীৰে আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন।

৪। অসমৰ পৰ্যটন ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰি ব্ৰহ্মপুত্ৰৰ পাণ্ডুঘাটত সামুদ্ৰিক বিমানৰ উৰণ আৰু অৱতৰণ।

*আৰু*

৫। জোহান্সবাৰ্গত অনুষ্ঠিত চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ১৩৫ ৰানত পৰাস্ত কৰি ৩-১ ব্যৱধানত ভাৰতৰ শৃংখলা দখল।

০০০০০০০

বড়ো শান্তি চুক্তিয়ে অকল বড়ো সম্প্ৰদায়ক উপকৃত কৰাই নহয় বৰং ভালেমান শান্তি চুক্তিৰ বাত প্ৰশস্ত কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত বড়োলেণ্ড মহোৎসৱৰ উদ্বোধন কৰি দিয়া ভাষণত প্ৰকাশ কৰে। তেওঁ কয়, যে শান্তি চুক্তিৰ বাবে অকল অসমতে ১০ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু হিংসা ত্যাগ কৰি মূল সুঁতিলৈ ঘূৰি আহিছে। তেওঁ কয় যে, শান্তি চুক্তি পাছৰে পৰা বড়ো ভূমিত উন্নয়নৰ নতুন ঢৌ পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ৫০ বছৰজোৰা হিংসাত্মক পৰিস্থিতিৰ পাছত বড়ো ভূমিত হোৱা উন্নয়নে তেওঁক সন্তুষ্টি দিছে। শ্ৰী মোদীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে বড়োলেণ্ডৰ উন্নয়নৰ বাবে এহেজাৰ ৫০০ কোটি টকাৰ বিশেষ পেকেজ প্ৰদান কৰিছে। বড়োলেণ্ডত শিক্ষা, স্বাস্থ্য আৰু সংস্কৃতিৰ সৈতে জড়িত আন্তঃগাঁথনি উন্নয়নৰ বাবে ৭০০ কোটিৰো অধিক টকা ব্যয় কৰা হৈছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ নক্সালবাদৰ পথ অনুসৰণ কৰা লোকসকলক বড়ো সম্প্ৰদায়ৰ লোকসকলৰ পৰা কিবা শিকিবলৈ প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। শ্ৰী মোদীয়ে বছৰ বছৰ জোৰা সংঘৰ্ষ আৰু মধ্যস্থতাৰ প্ৰয়াসৰ অন্তত নতুন ইতিহাস ৰচনা কৰাৰ বাবে বড়ো সম্প্ৰদায়ৰ লোকসকলক ভূষশী প্ৰশংসা কৰে। ২০২০ চনত বড়ো শান্তি চুক্তি সম্পাদিত হোৱাৰ পাছত লাভ কৰা কোকৰাঝাৰ ভ্ৰমণৰ কথা স্মৰণ কৰি শ্ৰী মোদীয়ে কয়, যে অঞ্চলটোৰ জনসাধাৰণে তেওঁৰ প্ৰতি দেখুওৱা মৰম আৰু আন্তৰিকতাক তেওঁ কেতিয়াও পাহৰিব নোৱাৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে এই কোকৰাঝাৰ ভ্ৰমণৰ চাৰি বছৰ পাছতো একেই ধৰণৰ মৰম আৰু আন্তৰিকতাই তেওঁক আপ্লুট কৰি তুলিছে। দক্ষতা বিকাশ আৰু যুৱ প্ৰজন্ম তথা মহিলাৰ উন্নয়নৰ বাবে সুযোগৰ উপলব্ধতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি শ্ৰী মোদীয়ে দক্ষতা, উদ্যমশীলতা, কৰ্মসংস্থাপন আৰু উন্নয়নৰ বাবে প্ৰৱৰ্তন কৰা

**ছীড** অভিযানৰ বিষয়ে উল্লেখ কৰে। এই অভিযানৰ জৰিয়তে বড়ো সম্প্ৰদায়ৰ যুৱক-যুৱতীসকল উপকৃত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে বড়ো সম্প্ৰদায়ৰ  প্ৰগতি আৰু সমৃদ্ধি সুনিশ্চিত কৰিবলৈ এন ডি এ চৰকাৰ বদ্ধপৰিকৰ। অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক দেশৰ অষ্টলক্ষ্মী বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে উন্নত ভাৰতৰ সংকল্পলৈ নতুন শক্তি প্ৰদানৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰাই উন্নয়নৰ উদয় হ'ব। তেওঁ কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজৰ সীমা বিবাদৰ সৰ্বসন্মত সমাধানেৰে অঞ্চলটোত স্থায়ী শান্তিৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, বি টি আৰৰ মুৰব্বী প্ৰমোদ বড়ো, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দীপেন বড়ো, বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰী বড়ো মহোৎসৱৰ  উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে অনুষ্ঠানত ভাগ লয়। বড়োভূমিৰ কলা-সংস্কৃতি, ভাষা সাহিত্যৰ ভিন্ন দিশ প্ৰতিফলিত কৰাৰ উপৰি ২০২০ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বড়ো শান্তি চুক্তি সম্পাদিত হোৱাৰ পাছৰে পৰা অঞ্চলটোত প্ৰতিষ্ঠা হোৱা শান্তিৰ পৰিবেশ চিৰস্থায়ী কৰাৰ লক্ষ্যৰে এই মহোৎসৱ অনুৰ্ষ্ঠিত হৈছে। এই শান্তি চুক্তিয়ে বড়ো ভূমিত সংঘৰ্ষ আৰু হিংসাৰ অৱসান ঘটোৱাই নহয় বৰং উত্তৰ-পূৰ্বাঞ্চলত আন বহু শান্তি চুক্তিৰ বাবে পথ মুকলি কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত কালিৰে পৰা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হৈছে। উজনিৰ পৰা নামনিলৈ মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত মানৱ ৰাসৰ ভক্তিৰস আৰু আধ্যাত্মিকতাই জনসাধাৰণক আপ্লুত কৰিছে। প্ৰতি বছৰে শৰতৰ পূৰ্ণিমাৰ নিশাৰ পৰা বৃন্দাবন, মথুৰাকে ধৰি আন বিভিন্ন স্থানৰ লগতে অসমতো শ্ৰী শ্ৰীকৃষ্ণৰ পূৰ্ণাংগ ৰাসলীলা উদযাপন কৰা হৈছে। ৰাস উপলক্ষে সত্ৰনগৰী মাজুলীতো উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। নদীদ্বীপ মাজুলীত কালিৰে পৰা তিনি-চাৰি দিনীয়া কাৰ্যসূচীৰে ৬৫ খন মঞ্চত শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা অনুষ্ঠিত হৈছে। মাজুলীৰ এই ৰাস উৎসৱত দেশ-বিদেশৰ পৰ্যটকে ভিৰ কৰিছে। জল পৰিবহন বিভাগে যাত্ৰীসকলক সুকলমে মাজুলীলৈ যাব পৰাকৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মাজুলীৰ ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰত অধিবাস পূজাৰে ৰাস মহোৎসৱৰ মূল পূজা অনুষ্ঠিত হৈছে। সত্ৰখনৰ প্ৰতিষ্ঠা বৰ্ষ সুঁৱৰি ১৮৫ গছি মাটিৰ চাকি প্ৰজ্বলন কৰা হৈছে। ৰাস মহোৎসৱ উপলক্ষে সত্ৰখনত মেলাও অনুৰ্ষ্ঠিত হৈছে। আউনীআতি সত্ৰতো পালনাম মহোৎসৱৰ লগতে মহাৰাস প্ৰদৰ্শিত হৈছে। উত্তৰ কমলাবাৰী সত্ৰত ৩৫০ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি আধ্যাত্মিকভাৱে ৰাস মহোৎসৱ উদযাপন কৰিছে। মুখা শিল্পৰ বাবে বিখ্যাত চামগুৰি সত্ৰত মাংগলিক পৰিৱেশত ৰাসলীলাৰ অভিনয়েৰে ৰাস উৎসৱ আয়োজন কৰা হৈছে। মিচিং জনগোষ্ঠীৰ লোকে মিচিং ভাষাত ৰাসলীলা অনুষ্ঠিত কৰি মাজুলীৰ ৰাস উৎসৱক বৰ্ণিল কৰি তুলিছে। জিলা প্ৰশাসনৰ উদ্যোগত প্ৰতিখন ৰাসমঞ্চ মাটিৰ চাকিৰে উজলাই তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আজি ৰাস মহোৎসৱ উপলক্ষে জিলা আয়ুক্তই মাজুলীত স্থানীয়  বন্ধৰ ঘোষণা কৰিছে।

বৰপেটা সত্ৰৰ কৰাপাটৰ সন্মুখত ৰাস মহোৎসৱ পালন কৰা হৈছে। ৰাস নৃত্যত গোপ-গোপীসকলে নৃত্য-গীতেৰে বৃন্দাবন সদৃশ  পৰিৱেশ সৃষ্টি কৰে। উল্লেখযোগ্য যে বৰপেটা সত্ৰৰ আইসকলে পৰম্পৰাগতভাৱে সত্ৰখনত ৰাস পূৰ্ণিমা পালন কৰি আহিছে। এই সন্দৰ্ভত এয়া আকাশবাণীৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ প্ৰতিবেদন।

- ভইচ -

০০০০০০০

আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। এই দিৱসৰ লগত সংগতি ৰাখি গোলাঘাট, তিনিচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন জিলাত বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। তিনিচুকীয়াত জিলা প্ৰশাসনৰ সৌজন্যত জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ত বৃহত্তৰ তিনিচুকীয়া সাংবাদিক সন্থা আৰু জাৰ্নেলিষ্ট ইউনিয়ন অব্ আছামৰ তিনিচুকীয়া জিলা সমিতিয়ে প্ৰেছ দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে জিলা আৰক্ষী অধীক্ষক গৌৰৱ অভিজিৎ দিলীপে দিনৰ ১১ বজাত সাংবাদিকৰ বাবে বিনামূলীয়া স্বাস্থ্য শিবিৰ মুকলি কৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত মূল আলোচনাচক্ৰ আৰু সম্বৰ্ধনা অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

একেদৰে গোলাঘাটতো জিলা প্ৰশাসনৰ লগতে জিলা তথ্য আৰু জনসংযোগ বিভাগে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালনৰ দিহা কৰিছে। গোলাঘাট আৰ্তে ভৱনৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল বাণী 'সংবাদ মাধ্যমৰ পৰিৱৰ্তিত ৰূপ' শীৰ্ষক এখন আলোচনাচক্ৰৰো আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ লগত সংগতি ৰাখি তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে ৰাজ্যিক ভিত্তিত বিস্তৃত কাৰ্যসূচী  ৰূপায়ণৰ দিহা কৰিছে। দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোত প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড° কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০০

হাইড্ৰ' কাৰ্বনযুক্ত মাটি প্ৰদূষণ ৰোধ কৰাৰ হকে উদ্ভাৱন কৰা প্ৰযুক্তিৰ বাবে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° হেমেন শৰ্মাৰ নেতৃত্বত এটা বিজ্ঞানীৰ দলে ভাৰতীয় পেটেণ্ট লাভ কৰিছে। বিজ্ঞানী তথা গৱেষকৰ দলটোৱে তেওঁলোকে উদ্ভাৱন কৰা মাইক্ৰ' বায়' ৰিমিডিয়েচন প্ৰযুক্তিয়ে পেট্ৰ'কেমিকেল উদ্যোগত হোৱা মাটি প্ৰদূষণৰ বিৰুদ্ধে যুঁজ দিয়াৰ সামৰ্থ্য বহন কৰা বুলি প্ৰকাশ কৰিছে। এই প্ৰযুক্তিয়ে ক্ষতিকাৰক জৈৱিক আৰু অজৈৱিক যৌগ, বিশেষকৈ পলি এৰ'মেটিক হাইড্ৰ'কাৰ্বন চমুকৈ পি এ এইচ আৰু তেল নিষ্কাশনৰ সময়ত বৈ যোৱা গধুৰ ধাতুৰে দূষিত হৈ পৰা মাটিৰ প্ৰতিকাৰৰ ক্ষেত্ৰত কাম কৰিব। এই উদ্ভাৱনৰ বাবে ভাৰতৰ পেটেণ্ট, ডিজাইন আৰু ট্ৰেডমাৰ্ক নিয়ন্ত্ৰক মহা প্ৰধানে গৱেষকৰ দলটোক ভাৰতীয় পেটেণ্ট প্ৰদান কৰিছে। উল্লেখযোগ্য যে এই দলটোৱে ইতিমধ্যে অসমৰ বিভিন্ন তৈলক্ষেত্ৰত শক্তিশালী পি এ এইচ অৱক্ষয়কাৰী বেক্টেৰিয়াৰ ১১টা প্ৰজাতি চিনাক্ত কৰিছে।

গৱেষকৰ দলটোৰ আন সদস্যসকল হ'ল – এন এন শইকীয়া মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° নাজিম ফৰিদ ইছলাম, পাণ্ডু মহাবিদ্যালয়ৰ জীৱ প্ৰযুক্তি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° অনিৰুদ্ধ শৰ্মা, হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ অধ্যাপক এন এন বি প্ৰসাদ আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী তনুশ্ৰী বসুমতাৰী।

০০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁও সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী আৰু সমৃদ্ধ কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি বৃহত্তৰ অঞ্চলটোৰ ভাষা-সাহিত্য, সংস্কৃতি, ইতিহাস, বৰেণ্য ব্যক্তিৰ জীৱন আৰু কৰ্মৰ মূল্যায়ন, কাব্য গ্ৰন্থ আদিৰ মেটমৰা সম্ভাৰেৰে কালি ২০০ খনৰো অধিক মূল্যবান গ্ৰন্থ উন্মোচন কৰা হয়। তিনিদিনীয়াকৈ আয়োজিত শতবৰ্ষ উদযাপনৰ এই অনুষ্ঠানৰ প্ৰথমদিনটোত কালি বিশিষ্ট লেখিকা, সাহিত্যিক, শিক্ষাবিদ জ্যোতিৰেখা হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০০

অসমৰ পৰ্যটন ক্ষেত্ৰলৈ নতুন আশাৰ ৰেঙণি কঢ়িয়াই অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ উদ্যোগত কালি সামুদ্ৰিক বিমানৰ এটা প্ৰদৰ্শনী উৰণ গুৱাহাটী মহানগৰীত অনুষ্ঠিত হয়। কানাডাৰ মেছাৰ্ছ ডি হেভিলেণ্ডৰ সহযোগত আয়োজন কৰা সামুদ্ৰিক বিমানৰ এই উৰণটোত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা সামুদ্ৰিক বিমানখনত উঠি মন্ত্ৰীগৰাকীয়ে পাণ্ডু ঘাটত অৱতৰণ কৰে। প্ৰদৰ্শনী উৰণটোৰ সামৰণিত তেওঁ সামুদ্ৰিক বিমানৰ পৰ্যটন সম্ভাৱনীয়তাৰ বিষয়ে উল্লেখ কৰি সামাজিক মাধ্যমযোগে এই চমকপ্ৰদ অভিজ্ঞতাৰ বিষয়ে অৱগত কৰে।

উল্লেখযোগ্য যে ছমাহৰ পৰা এবছৰৰ ভিতৰত অসমত পৰিবহণ পৰ্যটনৰ ক্ষেত্ৰত সামুদ্ৰিক বিমানৰ উৰণ আৰু অৱতৰণ কাৰ্যকৰী হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত প্ৰথমবাৰৰ বাবে সামুদ্ৰিক বিমানৰ পৰীক্ষামূলক অৱতৰণৰ পদক্ষেপত আনন্দ প্ৰকাশ কৰিছে। পৰ্যটন আৰু পৰিবহণৰ ক্ষেত্ৰত এই পদক্ষেপে নতুন দিগন্তৰ সূচনা কৰিব বুলি তেওঁ সামাজিক মাধ্যমত প্ৰকাশ কৰে। অসমৰ দৰে নৈপৰীয়া ৰাজ্যত সামুদ্ৰিক বিমানৰ সংযোজনে নতুন অধ্যায়ৰ মুকলি কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

০০০০০০০

## Newspaper Review

(ধন্যবাদ উৎপল দাস। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত কেইবাটাও বাতৰি ফটোসহ বিস্তৃতভাৱে প্ৰকাশ হোৱাটো আমাৰ দৃষ্টিগোচৰ হৈছে।) সেইসমূহৰ ভিতৰত-

অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী দামে সাধাৰণ জনতাক অতিষ্ঠ কৰাৰ সময়তে বেংকৰ গৃহঋণৰ সুদ বৃদ্ধিয়ে মধ্যবিত্ত শ্ৰেণীৰ লোকক বিপদত পেলাইছে। এই সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি দৈনিক অসম কাকতৰ বাতৰিৰ শিৰোনাম **গৃহঋণৰ সুদ বৃদ্ধিৰে মধ্যবিত্তক মাধমাৰ**।

আদিবাসী বীৰছা মুণ্ডাৰ ১৫০ বছৰীয়া জন্ম দিৱস কালি বিহাৰত জনজাতীয় গৌৰৱ দিৱস ৰূপে আয়োজন কৰা হৈছে। এই দিৱসত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা স্মাৰক ডাক টিকট উন্মোচন কৰে। **বীৰছা মুণ্ডা স্মাৰক ডাক টিকট উন্মোচন** শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

নতুন দিল্লীত আয়োজিত বড়োলেণ্ড মহোৎসৱৰ প্ৰথম সংস্কৰণ  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰে। বড়োলেণ্ড মহোৎসৱত বড়োসকলৰ সংস্কৃতি, পৰম্পৰা, সাহিত্য আদি সন্দৰ্ভত আলোকপাত কৰা হয়। এই বাতৰিটো দৈনিক জনমভূমি কাকতে **বড়োসকলে উত্তৰ-পূবত শান্তিৰ শিখা জ্বলাইছে ঃ মোদী** শিৰোনামেৰে ফটোসহ বিষদভাৱে প্ৰকাশ কৰিছে। এই একেটা বাতৰিকে আমাৰ অসম, অসমীয়া খবৰ, অসমীয়া প্ৰতিদিন, দৈনিক অসম, নিয়মীয়া বাৰ্তা, দ্যা ছেণ্টিনেল, দ্যা টাইমছ অব ইণ্ডিয়া, দি আছাম ট্ৰিবিউন আদি কাকতেও প্ৰকাশ কৰিছে।

উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ স্বায়ত্ব শাসিত পৰিষদত সংঘটিত অনিয়মৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে **ভূ-মাফিয়া ৰূপত মুখ্য কাৰ্যবাহী দেবোলাল গাৰ্লোছা** শিৰোনামেৰে প্ৰকাশ কৰিছে।

**ৰাসৰ ৰসত ৰসময় ৰাজ্য** শিৰোনামেৰে অসমীয়া খবৰ কাকতে ৰাজ্যৰ উজনি-নামনি সকলোতে শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে। ৰাসলীলা উদযাপনৰ এই বাতৰি আজি প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**তিনি কোটিৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি থকা ব্যক্তিকো কৃষি বিভাগৰ আঁচনিৰ সঁজুলি** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে উচ্চ ন্যায়ালয়ত হিতাধিকাৰী বাচনিৰ অনিয়ম উন্মোচন কৰা এটা বাতৰি প্ৰকাশ কৰিছে।

অসমৰ ট্ৰেডিং কেলেংকাৰীৰ আঁতি-গুৰি বিচাৰি আৰক্ষীৰ তালাচী অভিযান ক্ষীপ্ৰতৰ হৈ উঠিছে। আমাৰ অসম কাকতে **পাঁচ খন ৰাজ্যৰ ৯২ খন ঠাইত চি বি আইৰ বিশেষ অভিযান** শিৰোনামেৰে এটা বাতৰি প্ৰকাশ কৰিছে।

নেছনেল পিপলছ্ পাৰ্টিৰ দলে শ্ৰীলংকাত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰি দ্বীপ ৰাষ্ট্ৰখনৰ শাসনৰ অধিকাৰ লাভ কৰিছে। এই সন্দৰ্ভত দি আছাম ট্ৰিবিউন কাকতৰ শিৰোনাম NPP Sweeps Lanka Parliamentary Polls।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অগপৰ দুৰ্গলৈ শেনচকু বিজেপিৰ জ্যেষ্ঠ মন্ত্ৰীৰ, মালয়েছিয়াৰ নিৰ্জন মন্দিৰৰ পৰা উদ্ধাৰ অসমৰ যুৱক, ৰাজপথত ফুড ডেলীভাৰীবয়ক অকথ্য নিৰ্যাতন ঃ নিলম্বন পাণবজাৰ থানাৰ অ'চি, সাহিত্য সভাৰ সংবিধানক লৈ সুখী নহয় সভাপতি সূৰ্য হাজৰিকা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

(এতিয়া আমি পুনৰ উভতি আহিছো বাতৰিৰ মাজলৈ)

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ** সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতোপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

ooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেগুৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্টিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooooo

ভাৰতে যোৱা নিশা জোহান্সবাৰ্গত অনুষ্ঠিত চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থ তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ১৩৫ ৰানত পৰাস্ত কৰি ৩-১ ফলাফলেৰে শৃংখলা হস্তগত কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেটধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত এটা উইকেট হেৰুৱাই ২৮৩ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ তিলক বাৰ্মাই ৪৭ টা বলত ১২০ ৰান কৰে। সঞ্জু ছেমছনে ৫৬ টা বলত ১০৫ ৰানৰ বৰঙণি আগবঢ়ায়। তিলক বাৰ্মা আৰু সঞ্জু ছেমছনৰ যুটীটোৱে ২১০ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ

টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ ইতিহাসত এয়া কোনো এটা যুঁটীয়ে সংগ্ৰহ কৰা সৰ্বাধিক ৰান। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮ অভাৰ আৰু ২ টা বলত ১৪৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অশদীপ সিঙে তিনিটা উইকেট দখল কৰে। বৰুন চক্ৰৱৰ্তী আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। তিলক বাৰ্মাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

0000000

**সমাপ্ত**